# Model Test Paper
## Week: 1 Date: 14-10-2024
## PARAKH Rastriya Sarvekshan 2024

**GRADE 6**

Medium of Instruction: **Assamese**  Booklet Set: **61**

UDISE School Code: 

Student Name: 

School Name: 

District Name: 

State Name: 

| Student Gender | Social Group | EWS | CWSN | Area Code |
|---|---|---|---|---|
| 1 Boy | 1 SC | 1 Yes | 1 LD | 1 Rural |
| 2 Girl | 2 ST | 2 No | 2 VI | 2 Urban |
| 3 Transgender | 3 OBC | | 3 HI | |
| | 4 General | | 4 S&LD | |
| | | | 5 ID | |
| | | | 6 OthD | |

নিৰ্দেশনা

**(পৰীক্ষা আৰম্ভ কৰাৰ আগতে এই নিৰ্দেশনাসমূহ ভালদৰে পঢ়ি ল’বা)**

1. বিদ্যালয়ৰ পঞ্জীয়ন/শ্ৰেণী শিক্ষকৰ পৰা সহায় লৈ পৰীক্ষাৰ পুস্তিকা বিতৰণৰ পূৰ্বে সকলো তথ্য সম্পূৰ্ণ কৰা।
2. ওপৰৰ সকলো তথ্য বাধ্যতামূলক। আন্তৰ্জাতিক সংখ্যাত অৰ্থাৎ 1, 2, 3... সকলো ক'ড লিখক।
3. ছাত্ৰ-ছাত্ৰীসকলক তলত দিয়া নিৰ্দেশনাসমূহ দিয়ক:
   - এই পুস্তিকাখনত ৫১ টা প্ৰশ্ন আছে।
   - এই প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ তোমাৰ হাতত ৯০ মিনিট সময় আছে।
   - প্ৰশ্নৰ উত্তৰটো দিয়া বিকল্পৰ পৰা বিচাৰি উলিওৱা।
   - সঠিক বিকল্পটোত বৃত্তাকাৰ কৰা।

তলৰ দফাটো পঢ়ি প্ৰশ্ন নম্বৰ **1** ৰ পৰা **5** লৈ উত্তৰ কৰা:

মুকেশ আৰু তেওঁৰ দুই পুত্ৰ হৰি আৰু ৰবি আমৰ সৰু পুলি এটা ৰুবলৈ অৰণ্যলৈ গৈছিল। হৰিয়ে আম বৰ ভাল পাইছিল আৰু নিজাকৈ এখন আমৰ বাগিছা পতাৰ সপোন দেখিছিল। সি এটা আমৰ গুটিৰ পৰা গজালি মেলি পুলি হোৱালৈ অপেক্ষা কৰি আছিল আৰু সদায় চাবলৈ গৈছিল। ৰবিয়ে কৈছিল, "দেউতা, মই গছপুলি কম আৰু কেনেদৰে গছলৈ পৰিৱৰ্তন হয় চাম"। মুকেশ মান্তি হ'ল, কিন্তু, হৰিৰ মনটো বেয়া লাগিল। সি নিজে পুলিটো ৰুব বিচাৰিছিল। তাৰ দেউতাকে বুজাই দিলে যে, পুলিটো কোনে ৰুইছে সেইটো ডাঙৰ কথা নহয়। জীৱনৰ সুখ- আনন্দবোৰ সকলোৰে লগত ভগাই ল'ব লাগে। তেতিয়া হৰি আৰু ৰবি দুয়ো সুখী হ'ল।

**1.** মুকেশ আৰু তেওঁৰ পুত্ৰ সকল ক'লৈ গৈছিল**?**

A. চিৰিয়াখানা

B. বিদ্যালয়

C. অৰণ্য

D. বজাৰ

**2.** তেওঁলোকে কিয় অৰণ্যলৈ গৈছিল**?**

A. আমগছৰ পুলি ৰুবলৈ

B. ভেড়াৰ লগত খেলিবলৈ

C. পানী সংগ্ৰহ কৰিবলৈ

D. ফল সংগ্ৰহ কৰিবলৈ

**3.** হৰিয়ে কি সপোন দেখিছিল**?**

A. এজন ব্যৱসায়ী হোৱা

B. নিজৰ এখন বাগিছা পতা

C. নিজৰ এখন আমৰ বাগিছা পতা

D. এজন কলাকাৰ হোৱা

**4.** হৰি কিয় দুখী হৈছিল**?**

A. বিদ্যালয়ত কম নম্বৰ পোৱা কাৰণে

B. মুকেশে হৰিক গালি দিয়া কাৰণে

C. ৰবিয়ে গছপুলিটো ৰোৱা কাৰণে

D. হৰিয়ে খেলখনত হৰা কাৰণে

**5.** গল্পটোত কি নীতিশিক্ষা আছে**?**

A. জীৱনত সুখ ভগাই লোৱাটো জৰুৰী

B. প্ৰত্যেকেই গছপুলি কব লাগে

C. প্ৰত্যেকৰে আমগছৰ বাগিছা থকা উচিত

D. জীৱনত সুখী হোৱা জৰুৰী

তলৰ দফাটো পঢ়ি প্ৰশ্ন নম্বৰ **6** ৰ পৰা **10** লৈ উত্তৰ কৰা**:**

আমাৰ কাম

আমাৰ ঘৰত আমি তিনিজন ল'ৰা-ছোৱালীয়ে মা-দেউতাৰ লগত বাস কৰোঁ। মোহন মোতকৈ চাৰি বছৰ সৰু। ৰীতা একমাত্ৰ ছোৱালী আৰু তাই পঞ্চম শ্ৰেণীত পঢ়ে। আমাৰ ঘৰত আমি প্ৰতি পুৱা বিচনা নিজেই পৰিপাটি কৰোঁ। তদুপৰি সপ্তাহত তিনিবাৰ আমি অন্য ঘৰুৱা কাম কৰোঁ। আমাৰ মায়ে আমাৰ বাবে এখন সময়সূচী তৈয়াৰ কৰি দিছে।

সেইখন এনেধৰণৰ-

| দিন/বাৰ | ৰোহিত | মোহন | ৰীতা |
|---|---|---|---|
| সোমবাৰ | ঘৰৰ ছাদ চাফা কৰা | গছপুলিত পানী দিয়া | চাহ কৰা |
| বুধবাৰ | গাখীৰ কিনা | ঘৰৰ ছাদ চাফা কৰা | কাপোৰ শুকাবলৈ দিয়া |
| শুক্ৰবাৰ | চাহ কৰা | আলমাৰী চাফা কৰা | ধূলি চাফা কৰা |

**6.** কেইজন ল'ৰা-ছোৱালীৰ মাজত কাম ভগাই দিয়া হৈছে**?**

A. এজন

B. দুজন

C. তিনিজন

D. চাৰিজন

**7.** শুক্ৰবাৰে কোনে ধূলি চাফা কৰে**?**

A. ৰীতা

B. ৰোহিত

C. মোহন

D. কোনেও নকৰে

**8.** গাখীৰ কিনি অনা কাৰ কাম**?**

A. ৰীতা

B. মাক

C. মোহন

D. ৰোহিত

**9.** ল'ৰা-ছোৱালীকেইটাই/ল'ৰা বা ছোৱালীজনীয়ে কি বাৰে গছপুলিত পানী দিয়ে**?**

A. সোমবাৰ

B. মঙ্গলবাৰ

C. শুক্ৰবাৰ

D. বুধবাৰ

**10.** সোমবাৰে ৰোহিতে কি কাম কৰে**?**

A. গছপুলিত পানী দিয়ে

B. আলমাৰী চাফা কৰে

C. ঘৰৰ ছাদ চাফা কৰে

D. কাপোৰ শুকাবলৈ দিয়ে

তলৰ দফাটো পঢ়ি প্ৰশ্ন নম্বৰ **11** ৰ পৰা **15** লৈ উত্তৰ কৰা**:**

ৰাজুয়ে বন্ধত ককাকহঁতৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। ৰাজুৰ ককাক এজন কুমাৰ। তেওঁ প্লেট, কাপ, মগ ইত্যাদি তৈয়াৰ কৰি বিক্ৰী কৰে। কাপ, মগ আৰু প্লেটবোৰ তেওঁ মাটিৰে তৈয়াৰ কৰে। ৰাজুয়ে ককাকৰ কামত সহায় কৰিবলৈ থিৰাং কৰিলে। ৰাজুয়ে ককাকক কাপ আৰু প্লেটবোৰ এটা চৌকাত থোৱা দেখি আচৰিত হ'ল। সি ককাকক চৌকাটোৰ বিষয়ে সুধিলে। তেঁও ৰাজুক কলে যে, এইটো এটা বিশেষ চৌকা যিটোক ভট্টা বুলি কোৱা হয় আৰু ইয়াৰ ভিতৰত বাচন আৰু মগসমূহ থৈ দিলে মাটিবোৰ কঠিন হয়।

**11.** মাটিৰ বাচন আৰু মগসমূহ নিৰ্মাণ কৰা বিশেষ চৌকাটোৰ নাম কি**?**

A. মাইক্ৰ'ৱেভ

B. প্লেট

C. ভট্টা

D. বাচন

**12.** বন্ধত ৰাজু কলৈ গৈছিল**?**

A. ককাকৰ ঘৰত

B. গাঁৱত

C. উদ্যানত

D. সাগৰৰ পাৰত

**13.** ৰাজুৰ ককাকে কিয় বাচনসমূহ চৌকাত ৰাখিছিল**?**

A. বাচনবোৰ বিক্ৰী কৰিবলৈ

B. বাচনবাৰ ভাঙিবলৈ

C. বাচনবোৰ ৰান্ধিবলৈ

D. মাটিবোৰ কঠিন কৰিবলৈ

**14.** ৰাজুৰ ককাকে জীৱিকাৰ বাবে কি কাম কৰিছিল**?**

A. মগ, বাচন আৰু প্লেট বিক্ৰী কৰিছিল

B. মাটি বিক্ৰী কৰিছিল

C. চৌকা বিক্ৰী কৰিছিল

D. একো কৰা নাছিল

**15.** ৰাজুৰ ককাকে মগ**,** বাচন**,** প্লেট ইত্যাদি ____________ তৈয়াৰ কৰে।

A. বালিৰে

B. শিলেৰে

C. মাটিৰে


D. চিমেন্টেৰে

**16.** ৰাহুলে মিঠাই কেইটামান কিনিলে। মিঠাই বিক্ৰেতাই প্ৰতিটো বাকচত **4** টা মিঠাইকৈ **6**টা সৰু সৰু বাকচত মিঠাইবোৰ পেক কৰিলে। ৰাহুলে ডাঙৰ ডাঙৰ বাকচত মিঠাইবোৰ পেক কৰিবলৈ ক'লে। তাৰ পিছত**,** মিঠাই বিক্ৰেতাই **3**টা ডাঙৰ বাকচত ভৰালে।

প্ৰতিটো বাকচত যদি সমান সংখ্যক মিঠাই থাকে**,** তেন্তে কিমান মিঠাই তেওঁ ডাঙৰ বাকচবোৰৰ প্ৰতিটোতে পেক কৰেনে**?**

A. 4 B. 8 C. 12 D. 24

**17.** এই চিত্ৰবোৰৰ কোনটো চিত্ৰত আকৃতিৰ **1/4** অংশ ছাঁ দিয়া হৈছে**?**




A. কেৱল (i)

B. কেৱল (iii)

C. কেৱল (i) আৰু (ii)

D. কেৱল (ii) আৰু (iii)

**18.** খালী ঠাই পূৰণ কৰিবলৈ সঠিক বিকল্প বাছি উলিওৱা।

**250 + 1560 = __________ + 500**

A. 1060 B. 1310 C. 1810 D. 2310

**19.** ইয়াৰে কোনটো চাৰি হাজাৰ দুশ দহ**?**

A. 4200 B. 4210 C. 42010 D. 402010

**20.** তলত দিয়া সংখ্যাৰ আৰ্হিটো চাওক।

**3, 6, 12, 24, 48, __?__**

ইয়াৰে কোনটোৱে দেখুৱাইছে যে আৰ্হিটোত পৰৱৰ্তী সংখ্যাটো কেনেকৈ বিচাৰি উলিয়াব পাৰি**?**


A. 2 ক 48 ৰ সৈতে পূৰণ কৰা

B. 3 ক 48 ৰ সৈতে পূৰণ কৰা


C. 24 ৰ লগত 48 যোগ কৰা

D. 3 ৰ লগত 48 যোগ কৰা

**21.** তলৰ কোনটো চিত্ৰৰ ক্ষেত্ৰফল আটাইতকৈ সৰু**?**




**22.** কোন দুটা কোণৰ ডিগ্ৰী জোখ সমান**?**




A. P আৰু Q

B. Q আৰু R

C. P আৰু R

D. ওপৰৰ কোনোটোৱেই নহয়।

**23.** তলৰ বিকল্পসমূহৰ ভিতৰত কোনটো সমতুল্য দশমিক নহয়**?**

A. 1.23 আৰু 1.230

B. 3.241 আৰু 03.241

C. 0.0914 আৰু 0.914

D. 0.0405 আৰু 0.04050

**24.** বৰ্গক্ষেত্ৰৰ আকৃতিৰ মজিয়াৰ কাষটো **20** চে.মি. দীঘল। ৰামে **1** চে.মি.ৰ কাষৰ বৰ্গক্ষেত্ৰৰ টাইলছৰে মজিয়াখনত লগাব বিচাৰে। তেওঁক কিমান টাইলছৰ প্ৰয়োজন হ’ব**?**

A. 10 টাইলছ B. 20 টাইলছ C. 200 টাইলছ D. 400 টাইলছ

**25.** তলৰ কোনটো সংখ্যাৰে তলৰ বাকচটো পূৰণ কৰিবা**?**

$$\square \times 10 = 66.6$$


A. 0.666 B. 6.66 C. 666 D. 6660

**26.** সংখ্যা বাক্যটো শুদ্ধ কৰিবলৈ বাকচটোত কি আহিব লাগে**?**

$$\frac{8}{10} - \square = \frac{3}{10}$$

A. 5 B. 11/10 C. 11/20 D. 5/10

**27.** তলৰ ছবিখনত দেখুওৱা বাহনবোৰৰ কিমান অংশ বাছ**?**



A. 1/2 B. 2/5 C. 2/7 D. 5/7

**28. 225** খন কিতাপ আছে। যদি এটা বাকচত **5** খনকৈ কিতাপ ধৰে তেন্তে কিমানটা বাকচ প্ৰয়োজন হ'ব**?**

A. 35 টা বাকচ

B. 45 টা বাকচ

C. 50 টা বাকচ

D. 55 টা বাকচ

**29.** এজন মানুহে নিজৰ ঘৰৰ পৰা **200** মিটাৰ খোজ কাঢ়ি মূল পথ পালেগৈ। তাৰ পাছত, তেওঁ এখন অটোৰিক্সা লৈ **3** কিলোমিটাৰ যাত্ৰা কৰে। তাৰ পৰা তেওঁ **300** মিটাৰ খোজ কাঢ়ি বন্ধুৰ ঘৰ পালেগৈ। মানুহজনে অতিক্ৰম কৰা মুঠ দূৰত্ব কিলোমিটাৰত প্ৰকাশ কৰা।

A. 2.5 কিমি B. 3.5 কিমি C. 4.5 কিমি D. 5.5 কিমি

**30.** তোমাৰ দেউতা ৰাতিপুৱা **8.30** বজাত কামলৈ ওলাই গ'ল। তেওঁ ৰাতিপুৱা **9.25** বজাত অফিচ গৈ পালে। অফিচ গৈ পাওঁতে তেওঁৰ কিমান সময় লাগিল**?**

A. 30 মিনিট

B. 55 মিনিট

C. 50 মিনিট

D. 45 মিনিট

**31. 9, 1, 8,** আৰু ও অংককেইটা ব্যৱহাৰ কৰি আটাইতকৈ ডাঙৰ **4**টা অংকবিশিষ্ট সংখ্যাৰ গঠন কৰা। এই সংখ্যাটো কি**?**

A. 1389

B. 3981

C. 8931

D. 9831

**32.** তলৰ কোনটো আটাইতকৈ ডাঙৰ সংখ্যা**?**

A. 89091

B. 80991

C. 81990

D. 81909

**33.** এখন চহৰত পাঁচ হাজাৰ বাষষ্ঠিখন ৰাজহুৱা পৰিবহণ বাছ আছে।

তলৰ কোনখনে চহৰখনৰ পৰিবহণ বাছৰ সংখ্যাক প্ৰতিনিধিত্ব কৰে**?**

A. 5620 B. 5260 C. 5062 D. 562

**34.** এডাল জ্বলি থকা মমবাতি যদি এটা গিলাচেৰে ঢাকি দিয়া হয় তেতিয়া মমবাতি ডাল কিয় নুমাই যায়**?**

A. নাইট্ৰজেনৰ অভাৱত

B. কাবন ডাই অক্সাইডৰ অভাৱত

C. হাইড্ৰজেনৰ অভাৱত

D. অক্সিজেনৰ অভাৱত

**35.** তলৰ কোনটো উৎপাদক**?**

A. উদ্ভিদ

B. সিংহ

C. ভেকুঁৰ

D. হৰিণা

**36.** ৰেল পৰিবহনৰ কিয় ভাৰতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰিবহন ব্যৱস্থা বুলি কোৱা হয়**?**

A. জল পৰিবহন ব্যৱস্থা সুচল নহয় বাবে

B. ৰাষ্ট্ৰীয় পথ সুচল হোৱা বাবে

C. ৰেল যাত্ৰা ব্যয়বহুল হোৱা বাবে

D. কম খৰছত যাত্ৰা কৰাত সুবিধা হোৱাৰ বাবে

**37. "**শিশু এজনে শ্ৰমিক হিচাপে কাম কৰি আছে **।"**

শিশুটোক কোন থন আইনৰ সহায়ত উদ্ধাৰ কৰিবা **?**

A. বাল্য বিবাহ আইন 2006

B. শিশু শ্ৰমিক আইন 1986

C. শিশুৰ সুৰক্ষা আইন 2000

D. শিশুৰ অধিকাৰ আইন 2009

**38.** চুনামি কেনেকৈ সৃষ্টি হয়**?**

A. অধিক বৰষুণ হোৱাৰ বাবে

B. নদীৰ বান্ধ ভাঙি যোৱাৰ ফলত

C. সাগৰৰ তলিত ভূমিকম্প হৈ বিশাল ঢৌৰ সৃষ্টি হোৱাৰ ফলত

D. গোলকীয় উষ্ণতা বৃদ্ধি হোৱাৰ বাবে

**39.** পৰিৱেশত তৃণভোজী প্ৰাণীৰ সংখ্যা হ্ৰাস হালে কি প্ৰভাৱ পৰিব**?**

A. মাংসভোজী প্ৰাণীৰ সংখ্যা বৃদ্ধি পাব

B. উদ্ভিদৰ সংখ্যা হ্ৰাস পাব

C. পৰিস্থিতি তন্ত্ৰৰ ভাৰসাম্য সুৰক্ষিত হ'ব

D. মাংসভোজী প্ৰাণীৰ খাদ্য নোহোৱা হ'ব

**40.** কৃষি কাৰ্যৰ বাবে ভৈয়াম অঞ্চলৰ মাটি কিয় উপযোগী**?**

A. ভৈয়াম অঞ্চলৰ মাটি পলসুৱা হোৱাৰ বাবে

B. ভৈয়াম অঞ্চৰ মাটি বালিচঁহীয়া হোৱাৰ বাবে

C. ভৈয়াম অঞ্চৰ মাটিত অধিক বানপানী হোৱাৰ বাবে

D. ভৈয়াম অঞ্চলৰ মাটি খাল-বিল, নদ-নদী আদিৰে ভৰি থকাৰ বাবে

**41. "**তোমাৰ ভাইটিৰ মেদবহুলতাই দেখা দিছে।**"**

তুমি ভাইটিৰ খাদ্যাভাসৰ পৰা কোনটো উপাদান কমাবলৈ চেষ্টা কৰিবা **?**

A. প্ৰটিন

B. খাদ্যপ্ৰান

C. শৰ্কৰা

D. চৰ্বী

**42.** আদিম মানুহে কিয় দল বান্ধি ফুৰিছিল**?**

A. খাদ্য সংগ্ৰহৰ বাবে

B. বনৰীয়া প্ৰাণীৰ পৰা ৰক্ষা পাবলৈ

C. খেতি-বাতি কৰিবলৈ

D. বতাহ-বৰষুণৰ পৰা ৰক্ষা পাবলৈ

**43.** বৰ্তমান সময়ত মানুহে কিয় উন্নত মানৰ যান-বাহন ব্যৱহাৰ কৰিছে **?**

A. যান-বাহনৰ সংখ্যা বৃদ্ধিৰ বাবে

B. বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিৰ বাবে

C. সময় সলনি হোৱাৰ বাবে

D. জনসংখ্যাৰ বৃদ্ধিৰ বাবে

**44. "**এটা গিলাচত পানী ভৰাই তাত শুকান মাটিৰ এটা চপৰা পেলাই দিলে পনীখিনীৰ পৰা বুৰবুৰণি ওলায়**"** গিলাচত থকা পানীখিনিৰ পৰা কিয় বুৰবুৰণি ওলায়**?**

A. মাটিৰ গুণাগুণৰ বাবে

B. মাটিখিনিত ৰাসায়নিক পদাৰ্থ থকাৰ বাবে

C. মাটিখিনিত থকা বায়ুৰ বাবে

D. মাটিখিনি প্ৰদূষিত হোৱা বাবে

**45.** কিয় ৰাসায়নিক কীটনাশকৰ সলনি জৈৱিক কীটনাশকৰ ব্যৱহাৰ কৰিব লাগে**?**

A. ৰাসায়নিক সাৰ বিক্ৰী হ্ৰাস কৰিবলৈ

B. শস্যৰ উৎপাদন হ্ৰাস কৰিবলৈ

C. মাটিৰ গুণাগুণ নিম্নগামী কৰিবলৈ

D. প্ৰদূষণ ৰোধ কৰিবলৈ

**46.** খৰাং বতৰত আমাৰ কেনেকুৱা ধৰণৰ অসুবিধা হ'ব পাৰে**?**

A. বানপানী সৃষ্টি হ'ব পাৰে

B. ঘৰ-দুৱাৰ ভাঙি যাব পাৰে

C. ঠাণ্ডা বেছি হ'ব পাৰে

D. পানীৰ অভাৱ হ'ব পাৰে

**47.** তলৰ কোনটো সু-অভ্যাস**?**

A. বেছি ভাগৰ লাগিলে আহাৰ খাব লাগে

B. এবাৰতে বেছি আহাৰ খাব লাগে

C. সদায় সেউজীয়া শাক-পাচলি খাব লাগে

D. আহাৰ ভালদৰে চোবাই খাব নালাগে

**48.** বৰষুণৰ পৰিমাণ জোখা সঁজুলিটোৰ নাম কি**?**

A. থাৰ্মʼমিটাৰ

B. হাইগ্ৰমিটাৰ

C. এনিম'মিটাৰ

D. ৰেইনগ'জ

**49.** আমাৰ দেশত বছৰটোত কেইটা ঋতু অনুভুত হয়**?**


A. ছয়টা

B. পাঁচটা

C. চাৰিটা

D. সাতটা

**50.** তলৰ ছবিখনত থকা লৰা দুজনক খাদ্যৰ কোনবিধ উপাদান বেছিকৈ প্ৰয়োজন হব **?**



A. চৰ্বী

B. প্ৰটিন

C. শৰ্কৰা

D. ভিটামিন

**51. "**আমাৰ শৰীৰৰ পৰা গৰম দিনত বেছিকৈ ঘাম ওলায়।**"**

তুমি তেনে দিনত কেনেকুৱা কাপোৰ পিন্ধিলে আৰাম পাবা**?**

A. নাইলন

B. কপাহী

C. পলিয়েষ্টাৰ

D. ঊনী

***************